**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। বিধানসভা নিৰ্বাচন প্ৰত্যক্ষ কৰাৰ বাবে অসমলৈ অহা ৭ খন দেশৰ প্ৰতিনিধি দলৰ ভোটদানৰ উচ্চ হাৰক প্ৰশংসা।

২। ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩। কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱ।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজৰ আলোচনা কোনোধৰণৰ চুক্তি অবিহনে সমাপ্ত। **আৰু**

৫। এছিয়ান ছিনিয়ৰ আৰু ২৫ বছৰ অনূৰ্ধ এছিয়ান লন বল চেম্পিয়নশ্বিপত অসমৰ আটাইকেইগৰাকী খেলুৱৈৰ পদক অৰ্জন।

০০০০০০

৯ এপ্ৰিলত অনুষ্ঠিত বিধানসভা নিৰ্বাচন প্ৰত্যক্ষ কৰাৰ বাবে অসমলৈ অহা ৭ খন দেশৰ নিৰ্বাচন ব্যৱস্থাপনা নিকায় আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধি দলে নিৰ্বাচনৰ পৰিকল্পনা, ব্যাপকতা আৰু ভোটদানৰ উচ্চ হাৰক ভূয়সী প্ৰশংসা কৰিছে। ভোটগ্ৰহণৰ সময়ত কামৰূপ জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰা ক্ৰ'ৱেছিয়াৰ ব্ৰানিমিৰ ফাৰ্কাছে ভাৰতৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াক বিশ্বৰ বাবে গণতন্ত্ৰৰ প্ৰকৃত উৎসৱ বুলি অভিহিত কৰে। প্ৰতিনিধি দলটোৰ আন এগৰাকী সদস্য পৰ্টুগালৰ ড০ মিগুৱেল জেছাছ ফেৰিৰা ডি-ছিল্‌ভাই ভোটদানৰ উচ্চ হাৰক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচন দৰ্শনাৰ্থী কাৰ্যসূচী ২০২৬-ৰ অংশ হিচাপে বিধানসভা নিৰ্বাচনৰ সময়ত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা আন্তঃৰাষ্ট্ৰীয় দলটোৱে সামগ্ৰী বিতৰণ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে মত বিনিময় কৰিছিল। তেওঁলোকে লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ১০০ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ বাবে স্থাপন কৰা চিচিটিভিৰ নিয়ন্ত্ৰণ কক্ষসমূহো পৰিদৰ্শন কৰিছিল। তেওঁলোকে কামৰূপৰ বিভিন্ন স্থানত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰু ভোটগ্ৰহণৰ আখৰাও পৰ্যবেক্ষণ কৰে।

০০০০০০

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহু ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ***(মিউজিক)*** বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। বুধবাৰে মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাচিব। চৰাইদেউ জিলাৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে ৰঙালী বিহুৰ বাবে পূৰ্ণোদমে প্ৰস্তুতি চলাইছে। জিলাখনৰ ৰাইজে হুচৰিৰ আখৰা সম্পূৰ্ণ কৰাৰ লগতে জীয়ৰী-বোৱাৰীসকলে বিহুৰ বাবে পিঠাপনা, জা-জলপানৰ যোগাৰ সম্পূৰ্ণ কৰিছে। জিলাখনত বিহুৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ-

**(ভইচ ঃ কোঁৱৰ)**

শিৱসাগৰৰ সমীপৰ ৰুদ্ৰসাগৰৰ পুৰণি পুখুৰীপাৰত অনুসূচীত জাতি মহিলা ঐক্যমঞ্চৰ উদ্যোগত আয়োজিত সাদিনীয়া বিহু আৰু ঢোলবাদন কৰ্মশালাৰ কালি সামৰণি পৰে। ৪ এপ্ৰিলৰ পৰা অনুষ্ঠিত এই কৰ্মশালাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিহু নাচ আৰু ঢোল বাদনৰ প্ৰণালীবদ্ধ প্ৰশিক্ষণ গ্ৰহণ কৰে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়-

(বাইট)

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ মহকুমা ছাত্ৰ আৰু আঞ্চলিক ছাত্ৰ সন্থা তথা স্থানীয় ৰাইজৰ সহযোগত ২ ব'হাগত শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত মুকলি বিহু আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহ শিক্ষাবিদ তথা লোকসংস্কৃতিৰ গৱেষক ড০ অনিল শইকীয়াই শুভাৰম্ভ কৰিব।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ত কালিৰে পৰা তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলা পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত এই মেলাত ২৮টা আত্মসহায়ক গোটৰ বিপনীৰ লগতে বিভিন্ন বিভাগৰ বিপণীয়ে অংশ লৈছে। জিলাখনৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে বিহুৰ প্ৰস্তুতি চলাইছে। মটক, মৰাণ আৰু আহোম জনগোষ্ঠীৰ লোকসকলে বালি হুচৰি আৰম্ভ কৰি বিহুৰ প্ৰস্তুতি চলাইছে।

গোৱালপাৰা জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত তিনি দিনীয়াকৈ অসমী ৰঙালী মেলা অনুষ্ঠিত হৈছে। মেলাৰ সৈতে সংগতি ৰাখি খেল-ধেমালি প্ৰতিযোগিতা, বিহু নাচ, পৰম্পৰাগত সাজপাৰ, লোকগীত আৰু আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীত নেডফিহাট, লক্ষীধৰ বৰা ক্ষেত্ৰৰ উপৰি বিভিন্ন স্থানত বিহু উপলক্ষে বিপণী মুকলি কৰা হৈছে।

ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে বিহুৰ প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা-

**(ভইচ ঃ শৰ্মা)**

বকোত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিহুনাচৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৩ গৰাকী প্ৰশিক্ষকে এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ ২০০তকৈ অধিক ল'ৰা-ছোৱালীয়ে কৰ্মশালাত অংশ লৈছে।

বিশ্বনাথ জিলাৰ কলাবাৰীত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাত দুই শতাধিক নাচনী-ঢুলীয়াই অংশগ্ৰহণ কৰিছে। সোমনাথ ওজাই প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। উত্তৰ গুৱাহাটীৰ মাইহাং সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে।

মঙলদৈ চহৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। সোমবাৰলৈ হ'বলগীয়া এই মেলা দৰং জিলাৰ আয়ুক্ত আয়ুসী জৈনে উদ্বোধন কৰে।

একেদৰে হাটশিঙিমাৰীতো কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত অনুষ্ঠিত এই মেলাৰ জৰিয়তে অঞ্চলটোৰ আত্মসহায়ক গোটৰ সদস্যসকলক হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰী বিক্ৰীৰ এখন সমন্বিত মঞ্চ প্ৰদান কৰিব বিচৰা হৈছে।

হাফলঙত তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত লোকসংগীত, বিহু নাচ আৰু পৰম্পৰাগত নৃত্যকে ধৰি ৰাজ্যৰ চহকী পৰম্পৰা প্ৰদৰ্শন কৰা হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম গ্ৰামীণ জীৱিকা মিছনৰ তত্বাৱধানত শিলচৰত কালিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। ১৩ এপ্ৰিললৈ চলিবলগীয়া এই মেলাত আত্মসহায়ক গোটৰ সদস্যসকলৰ হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

যোৰহাটৰ অ'ল্ড চাৰ্কিট ৰোডত ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। তিতাবৰতো ব'হাগী মেলা অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱৰ আয়োজন কৰা হৈছে। মঙলবাৰে সামৰণি পৰিবলগীয়া এই উৎসৱৰ অংশ হিচাপে পৰম্পৰাগত বিশ্বাস অনুসৰি বাওখুংগ্ৰী পাহাৰ বগোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজি পুৱা এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে।

উৎসৱৰ সৈতে সংগতি ৰাখি বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীৰ আয়োজন কৰা হৈছে। তদুপৰি বৈসাগু আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰা হ'ব। কালি এখন সংবাদমেল যোগে বাওখুংগ্ৰী উৎসৱ আয়োজক সমিতিৰ সভাপতি ধনেশ্বৰ গয়াৰীয়ে এই উৎসৱৰ কাৰ্যসূচী সম্পৰ্কে অৱগত কৰে। তেওঁ সকলো ধৰ্ম-বৰ্ণ তথা জাতি-জনগোষ্ঠীৰ লোকক এই উৎসৱক অংশ ল'বলৈ আহ্বান জনায়। শ্ৰী গয়াৰীয়ে কয়, যে ৩ দিনীয়া এই মহোৎসৱৰ অংশ হিচাপে চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দূৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত পাকিস্তানৰ ৰাজধানী ইছলামাবাদত প্ৰায় ২১ ঘণ্টা ধৰি চলা আলোচনা কোনোধৰণৰ চুক্তি অবিহনে সমাপ্ত হৈছে। আলোচনাৰ অন্তত আমেৰিকা উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে কয়, যে আলোচনা সাৰ্থক আছিল যদিও কোনোধৰণৰ চুক্তিত উপনীত হ'বপৰা নগ'ল। তেওঁ কয়, যে পাৰমাণৱিক অস্ত্ৰ আহৰণ নকৰাৰ বাবে ইৰানৰ দীৰ্ঘকালীন প্ৰতিশ্ৰুতিবদ্ধতাক লৈ মতভেদ অব্যাহত আছে। তেওঁ লগতে কয়, যে আমেৰিকাই ইৰানক অন্তিম প্ৰস্তাৱ দিছে আৰু দেশখনৰ প্ৰতিক্ৰিয়াক লৈ বাট চাই থকা হৈছে।

ইয়াৰ পূৰ্বে ইৰান চৰকাৰে সামাজিক মাধ্যম এক্সযোগে দিয়া এটা বিবৃতিত একাংশ বিষয়ক লৈ মতানৈক্য সত্বেও আলোচনা অব্যাহত থাকিব বুলি ইংগিত দিয়ে। আলোচনাত পশ্চিম এছিয়াত যুদ্ধ বিৰতি, আমেৰিকাই আৱদ্ধ কৰি ৰখা ইৰানৰ সম্পত্তি ঘূৰাই দিয়া আৰু হৰমুজ প্ৰণালীৰ সৈতে জড়িত বিষয়সমূহে আগস্থান লাভ কৰে। আলোচনাৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে চুক্তি হওক বা নহওক তেওঁৰ একো ক্ষতি নহয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীট্ৰাম্পে কয়, যে হৰমুজ প্ৰণালীত অভিযান চলি আছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইতিমধ্যে জয়লাভ কৰিছে বুলি তেওঁ দাবী কৰে। আলোচনাত উপ ৰাষ্ট্ৰপতি জে দি ভেন্সে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি দলক নেতৃত্ব দিয়ে। তেওঁৰ সৈতে বিশেষ কটকী ষ্টিভ উইটক'ফ আৰু জেৰেড কুছনাৰ উপস্থিত থাকে। ইৰাণৰ সংসদৰ অধ্যক্ষ  আৰু প্ৰতিনিধি দলৰ মুৰব্বী মহম্মদ বাকেৰ কৰিবাফ, বিদেশ মন্ত্ৰী আববাছ অৰাঘছি আৰু সৰ্বোচ্চ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ মুৰব্বী আলী বাঘেৰী কানিয়ে আলোচনাত অংশ লয়।

ইপিনে, ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে এটা ভিডিঅ' বিবৃতি যোগে কয়, যে ইৰাণৰ বিৰুদ্ধে এতিয়াও অভিযানৰ অন্ত পৰা নাই। তেওঁ ইজৰাইলে ঐতিহাসিক সফলতা অৰ্জন আৰু ইৰাণৰ পাৰমাণিক অস্ত্ৰ আহৰণৰ আকাংক্ষা বিফল কৰা বুলি দাবী কৰে।

০০০০০০

সাহিত্যিক দীপক কুমাৰ বৰকাকতিয়ে চলিত বৰ্ষৰ ভাৰতীয় ভাষা পৰিষদৰ মৰ্যাদাপূৰ্ণ সাধনা বঁটা লাভ কৰিছে। পৰিষদে কালি প্ৰকাশ কৰা মতে দীপক কুমাৰ বৰকাকতিসহ দেশৰ মুঠ ৪ গৰাকী সাহিত্যিকে এই সন্মান লাভ কৰিছে। সন্মান লাভ কৰা আন ৩ গৰাকী সাহিত্যিকৰ ভিতৰত কন্নড় ভাষাৰ জ্যেষ্ঠ সাহিত্যিক বৈদেহী, উৰ্দু সাহিত্যিক তথা সমালোচক আনিছ আছফাক আৰু জ্যেষ্ঠ হিন্দী কবি নৰেশ সাক্সেনা আছে। পৰিষদৰ সভানেত্ৰী কুসুম সেমানীয়ে প্ৰকাশ কৰা মতে ভাৰতীয় ভাষাসমূহৰ মাজৰ সৌহাৰ্দ্য আৰু সাহিত্যিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে স্মাৰক, প্ৰশস্তিপত্ৰ আৰু নগদ এক লাখ টকা।

oooooo

নতুন দিল্লীত অনুষ্ঠিত এছিয়ান ছিনিয়ৰ আৰু ২৫ বছৰ অনূৰ্ধ এছিয়ান লন বল চেম্পিয়নশ্বিপত দেশক প্ৰতিনিধিত্ব কৰা ১৪ জনীয়া দলৰ অসমৰ আটাইকেইগৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। নয়নমণি শইকীয়াই  মহিলাৰ আৰু পুতুল সোণোৱালে পুৰুষৰ ছিংগলছত সোণৰ পদক লাভ কৰিছে। প্ৰতিযোগিতাত নয়নমণি আৰু পুতুলৰ উপৰি জয়ন্ত শৰ্মাইয়েও প্ৰতিযোগিতাৰ পুৰুষৰ ফ'ৰ শিতানত সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। বনগীতা হাজৰিকাই মহিলাৰ ফ'ৰ শিতানত ৰূপৰ পদক অৰ্জন কৰে। সুৰঞ্জনা বৰুৱাই ২৫ বছৰ অনূৰ্ধৰ ছোৱালীৰ ছিংগলছত আৰু বিটু দাসে ল'ৰাৰ ছিংগলছত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে ডেলহি কেপিটেলছক ২৩ ৰানত পৰাস্ত কৰে। এইবাৰৰ প্ৰতিযোগিতাত দলটোৰ এয়া প্ৰথম জয়। চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি সঞ্জু ছেমছনৰ অনবদ্য ১১৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২১২ ৰান সংগ্ৰহ কৰে। ছেমছনে ৫৬টা বলত ১১৫ কৰি আউট নোহোৱাকৈ থাকে আৰু আয়ুছ মাহাত্ৰে ৫৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দিল্লীৰ হৈ ট্ৰিষ্টন ষ্টব্‌ছে সৰ্বাধিক ৬০ ৰান কৰে। চেন্নাইৰ হৈ জেমি অ'ৰৰটনে চাৰিটা উইকেট দখল কৰে। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত আন এখন খেলত পাঞ্জাব কিংছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি অভিষেক শৰ্মাৰ ৭৪ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পঞ্জাব কিংছে  ১৯ অভাৰ ৫টা বলত চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। পঞ্জাবৰ হৈ অধিনায়ক শ্ৰেয়াষ আয়াৰে ৩৩টা বলত ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। এই প্ৰদৰ্শনৰ সুবাদত পঞ্জাব কিংছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত ১০বাৰ ২০০ৰো অধিক ৰান সফলতাৰে অনুসৰণ কৰি জয়লাভ কৰা প্ৰথমটো দল ৰূপে পৰিগণিত হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

oooooo

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল, ৰাজ্যজুৰি ৰঙালী বিহুৰ প্ৰস্তুতি, মেল'ডি কুইন আশা ভোচলেৰ অসুস্থতা আৰু নিৰ্বাচনোত্তৰ বিভিন্ন বা-বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

পশিচম বংগত বিধানসভা নির্বাচনত বিজেপিৰ ব্যাপক প্রচাৰ সন্দৰ্ভত এটা বাতৰি **সৰ্বশক্তিৰে নামিছে বিজেপি ঃ মমতাক ৰুধিবলৈ মোদী আৰু শ্বাহৰ মৰাথন প্ৰচাৰ** শিৰোনামেৰে **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

**চৰকাৰৰ আক্ৰোশমূলক আচৰণক ধিক্কাৰ** শিৰোনামেৰে প্ৰতিদিন সহ সংবাদ মাধ্যমৰ ওপৰত চৰকাৰী আক্ৰমণ হোৱা বুলি অভিযোগ তুলি গুৱাহাটী প্ৰেছ ক্লাবত প্ৰতিবাদী সভা অনুষ্ঠিত কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**নিয়মীয়া বাৰ্তা** কাকতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত জুৰিয়াৰ এখন চৰকাৰী স্কুলৰ ফলাফলৰ নমুনা শীৰ্ষক এটা বাতৰিৰ লগতে নিৰ্বাচনী বতৰৰ মাজতে সংগোপনে আহিছে হেঁপাহৰ ব'হাগ বিহু শিৰোনামেৰে আলোকচিত্ৰসহ বাতৰি প্ৰকাশ কৰিছে।

নিৰ্বাচনী আচৰণবিধি প্ৰযোজ্য হৈ থকাৰ সময়ত কোনে প্ৰশাসন পৰিচালনাৰ দায়িত্ব পালন কৰে বুলি প্ৰশ্ন তুলি এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে WHO RUNS THE SHOW DURING THE MODEL CODE OF CONDUCT PERIOD শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত পুনৰ তিনিখন টোল গেট স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত সন্দৰ্ভত এটা বাতৰি **দৈনিক জনমভূমি** কাকতে তিনিখন টোল গেটে শোধব মাধমাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে সলনি হ'ব বিশ্বৰ ঘড়ীৰ সময় ঃ প্ৰচলিত জি এম টিৰ পৰিৱৰ্তে এম এ টি প্ৰৱৰ্তনৰ দাবী শিৰোমাৰে এটা বাতৰি প্ৰকাশ কৰিছে।

বিহুৰ সময়ত অসমলৈ বহিঃৰাজ্যৰ পৰা গামোচা আমদানি হোৱা বুলি এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে বহিঃৰাজ্যৰ পৰা ট্ৰাকে ট্ৰাকে গামোচা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্যা ছেণ্টিনেল কাকতে বিদেশী নিৰীক্ষকৰ দলে অসমৰ নিৰ্বাচনৰ ভোটদানৰ হাৰক প্ৰশংসা কৰাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, মেঘালয়, মণিপুৰ, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**